بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ৬মাৰ্চত মছজিদ বায়তুল ফতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - যোৱা জুমাৰ খোতবাত হজৰত মুছাব বিন উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হৈছিল, তাৰে সামান্য অংশ বৰ্ণাবলৈ বাকী আছিল, সেয়া আজি মই বৰ্ণনা কৰিবলৈ লৈছো। হজৰত মুছাব বিন উমৰ (ৰাঃ) সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এয়া উল্লেখ কৰিছে যে এখেত (ৰাঃ)ক মদিনাৰ লোকলৈ ইছলামৰ প্ৰথম মোবাল্লিগ হিচাপে প্ৰেৰণ কৰা হৈছিল।ইখিনিতে হজৰত মুছাব বিন উমৰ (ৰাঃ)ৰ খিদমত সম্পৰ্কে উল্লেখ কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজ্বৰ সময়ত যিহেতু আৰবৰ চাৰিওফালৰ পৰা মানুহে হজ্ব কৰাৰ নিমিত্তে মক্কাত আহি জমা হবলৈ লৈছিল সেয়ে মহম্মদ ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ অভ্যাস অনুযায়ী যতেই গোটা চেৰেক মানুহ জমা হোৱা বা থিয় হৈ থকা দেখিছিল, তাতেই গৈ তেওঁলোকক তৌহিদ সম্পৰ্কে ওয়াজ শুনাবলৈ আৰম্ভ কৰিছিল। তাতেই তেখেত (ছাঃ)য়ে খোদা তায়ালাৰ সাম্ৰাজ্যৰ সু-সংবাদ দিছিল। লগতে জুলুম,অত্যাচাৰ,বেয়া কাম, বিবাদ,চয়তানি আদিৰ পৰা দূৰত থকাৰ নচিহত কৰিছিল। এনে অৱস্থাত তেখেত (ছাঃ)য়ে মিনাৰ ময়দানত ঘূৰি ফূৰি থাকোতে মদিনাৰ পৰা অহা ছয়-সাতজন লোকৰ এটা দল দেখা পাইছিল। তেখেত (ছাঃ)য়ে গৈ সেই লোক কেইজনক সুধিছিল যে আপোনালোকে কোনখন কবিলাৰ লোক হয়? তেওঁলোকে উত্তৰ দিছিল যে আমি খজৰজ কবিলাৰ লোক হওঁ। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে সেই কবিলা নেকি যিসকলে ইহুদী সকলৰ বন্ধু হয়? লোক কেইজনে কৈছিল হয়! তেখেত (ছাঃ)য়ে লোক কেইজনক কৈছিল - আপোনালোকে অলপ সময় বহি মোৰ কেইটামান কথা শুনিবনে। লোক সকলে যিহেতু তেখেত (ছাঃ)ৰ বিষয়ে শুনিছিল আৰু মনে মনে তেখেত (ছাঃ)ৰ দাবীৰ প্ৰতিত্ত বিশ্বাস ৰাখিছিল সেয়ে লোক কেইজনে তেখেত (ছাঃ)ৰ কথা মানি লৈছিল আৰু তেখেত (ছাঃ)ৰ ওচৰত বহি তেখেত (ছাঃৰ কথাবোৰ মন দি শুনিবলৈ লৈছিল। তেখেত (ছাঃ)য়ে তেওঁলোকক কৈছিল যে - খোদা তায়ালাৰ সাম্ৰাজ্য প্ৰতিষ্ঠাৰ সময় ওচৰ চাপিছে, মুৰ্ত্তিৰ আধিপত্য ভূমণ্ডলৰ পৰা বিলুপ্ত কৰি দিয়া হব আৰু তৌহিদ পৃথিৱীত প্ৰতিষ্ঠা কৰা হব। নেকি আৰু তাকওয়া আকৌ পৃথিৱীত প্ৰতিষ্ঠিত হব। মদিনাৰ লোক সকলে এই মহান অনুগ্ৰহ গ্ৰহন কৰিবলৈ সাজু আছেনে? সেই লোক সকলে কৈছিল যে আমি আপোনাৰ শিক্ষা হয়তো গ্ৰহন কৰিলো কিন্তু মদিনাৰ বাসিন্দা সকলে ইছলামক প্ৰশ্ৰয় দিবলৈ সন্মত হবনে নহয়, সেয়া আমি ওভতি মদিনাত গৈ আমাৰ সম্প্ৰদায়ৰ লগত আলোচনা কৰিম আৰু অহা বছৰ আহি আমি আপোনাক আমাৰ সম্প্ৰদায়ৰ ৰায় জনাম। উক্ত মানুহ কেইজনে মদিনালৈ ওভতি গৈ নিজৰ আত্মীয় স্বজন আৰু বন্ধু বান্ধৱীৰ লগত আঁহজৰত (ছাঃ)ৰ শিক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ আৰম্ভ কৰিছিল। ইহুদী সকলৰ লগত সম্পৰ্ক থকা হেতুকে আউচ আৰু খজৰজি সকলে বাইবেলৰ ভৱিষ্যত বাণী সম্পৰ্কে জানিছিল। যেতিয়া ইহুদী সকলে নিজৰ বিপদ-আপদ আৰু দুখ কষ্ট সম্পৰ্কে আলোচনা কৰিছিল তেতিয়া শেষত এয়া উল্লেখ কৰিছিল যে মুছা (আঃ)ৰ দৰে এজন নবীৰ আৱিৰ্ভাব ঘটিব, যাৰ অহাৰ সময় ওচৰ চাপি আহিছে। যেতিয়া তেওঁ আহিব আমি আকৌ এবাৰ পৃথিৱীৰ বুকুত বিজয়ী হম। ইহুদী সকলৰ শত্ৰু নিৰ্মুল হৈ যাব। যেতিয়া এই হাজী সকলৰ মুখত মদিনা বাসীয়ে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ দাবীৰ কথা শুনিছিল আৰু তেখেত (ছাঃ)ৰ সত্যতাই তেওঁলোকৰ হৃদয় আপ্লুত কৰি তুলিছিল তেতিয়া তেওঁলোকে কৈছিল যে এয়া দেখোন সেইজন নবী বুলি অনুমান হয়, তাৰ বিষয়ে ইহুদী সকলে আমাক কৈছিল। এইবিলাক বিৱৰণ শুনি বহুসংখ্যক ডেকাই মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ শিক্ষাৰ সত্যতাৰ বাবকৈয়ে প্ৰভাৱিত হৈছিল আৰু এনেদৰে ইহুদী সকলৰ পৰা শুনা ভৱিষ্যত বাণীয়ে তেওঁলোকৰ ঈমান স্থাপন কৰাত সহায় কৰিছিল। সেয়ে পিছৰ বছৰ হজ্বৰ সময়ত আকৌ মদিনাৰ কিছুমান লোক মক্কালৈ গৈছিল। বাৰজন মানুহে এইবাৰ মদিনাৰ পৰা এয়া মনতে ভাৱি পেলাই গৈছিল যে তেওঁলোকে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰচাৰিত ধৰ্ম গ্ৰহন কৰিব। ইয়াৰে মাজত দহজন লোক আছিল খজৰজ কবিলা আৰু দুজন আছিল আউচ কবিলাৰ লোক। সেই মতেই এওঁলোকে বিনা ময়দানত গৈ আঁহজৰত (ছাঃ)ক লগ ধৰিছিল আৰু তেখেত

(ছাঃ)ৰ হাতত এয়া শপত লৈছিল যে তেওঁলোকে খোদা তায়ালাৰ বাহিৰে আন কোনোবাৰ উপসনা নকৰে। তেওঁলোকে এয়াও শপত লৈছিল যে সিহঁতে খোদাৰ নবীৰ আৰু তাৰ অৱমাননা নকৰিব। এওঁলোকে মদিনালৈ ওভতি গৈ নিজৰ সম্প্ৰদায়ৰ লোক সকলক আৰু বেছি জোৰ দি ইছলামৰ তবলিগ কৰা আৰম্ভ কৰিছিল। মদিনাৰ ঘৰ বিলাকৰ পৰা মুৰ্ত্তিবোৰ উলিয়াই আনি বাহিৰত দলিয়াই পেলাবলৈ আৰম্ভ কৰিছিল। মুৰ্ত্তিৰ আগত নতশীৰ হোৱা লোক সকলে ডিঙি উঠাই চলিবলৈ আৰম্ভ কৰিছিল। খোদা অবিহনে আন কোনো বস্তুৰ আগত লোকে মূৰ জোকাবলৈ মান্তি হোৱা নাছিল। তেতিয়া ইহুদী সকলে আচৰিত হৈ পৰিছিল যে শত বৰ্ষৰ পৰা চলি অহা বন্ধুত্ব আৰু তবলিগে এওঁলোকৰ মাজত যি পৰিবৰ্তন সাধন কৰিব নোৱাৰিলে, ইছলামে সেই পৰিবৰ্তন মাথোন কেইটামান দিনৰ ভিতৰতে সাধন কৰি পেলালে। তৌহিদৰ উয়াজ মদিনা বাসীৰ হৃদয়ত ঘৰ বনাই যাবলৈ লৈছিল। এজনৰ পিছত এজনকৈ লোক আহিছিল আৰু মুছলমান সকলক কৈছিল আমাক তোমালোকৰ দ্বীনি শিকোঁৱা। কিন্তু মদিনাৰ নতুন মুছলমান সকলে ইছলামৰ শিক্ষা সম্পৰ্কে সম্পূৰ্ণ ভাৱে অৱগত নাছিল আৰু আনফালে তেওঁলোকৰ সংখ্যা ইমান নাছিল যে শ শ আৰু হাজাৰও মানুহক ইছলাম সম্পৰ্কে বিতং ব্যাখ্যাৰে বুজাব। গতিকে তেওঁলোকে মক্কালৈ এজন মানুহে পঠিয়াই ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত এজন মোবাল্লিগ মদিনালৈ প্ৰেৰনাৰ্থে আবেদন কৰিছিল। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ যিজনে হাবশা হিজৰতৰ পৰা ওভতি আহিছিল, তেখেতক ইছলামৰ তবলিগৰ উদ্দেশ্য মদিনালৈ পঠিয়াইছিল। মুছাব (ৰাঃ) মক্কাৰ পৰা বাহিৰলৈ যোৱা প্ৰথম মোবাল্লিগ আছিল। হিজৰতৰ আদেশ পোৱাৰ পিছত আঁহজৰত (ছাঃ)য়ে মদিনালৈ গৈছিল। হিজৰতে মদিনাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত মুছাব বিন উমিৰ (ৰাঃ) আৰু হজৰত আবু আয়ুব আনছাৰী (ৰাঃ)ৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হজৰত মুছাব (ৰাঃ) বদৰৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। বদৰ আৰু অহুদৰ যুদ্ধত মোহাজেৰীন সকলৰ ডাঙৰ পতাকাখন হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ ওচৰত আছিল, যি ৰছুলুল্লাহ (ছাঃ)য়ে তেখেত (ৰাঃ)ক চমজাই দিছিল।

হজৰত মুছাব বিন উমিৰ (ৰাঃ) অহুদৰ যুদ্ধত শ্বহীত হৈছিল। অহুদৰ যুদ্ধত হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ আগে আগে যুদ্ধ কৰি গৈছিল আৰু শ্বহীদ হৈ গৈছিল। এখেত (ৰাঃ)ক কুমায়েদ নামৰ লোক এজনে শ্বহিদ কৰি দিছিল। ইতিহাসত উল্লেখ আছে যে অহুদৰ যুদ্ধ সেনা নায়ক হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে পতাকা ৰক্ষনা বেক্ষণৰ দায়িত্ব বৰ পুৰুষালিৰে পালন কৰিছিল। অহুদৰ যুদ্ধ চলাকালীন হজৰত মুছাব বিন উমিৰ (ৰাঃ) য়ে পতাকা ধৰি ৰাখিছিল এনেতে ইবনে কুমায়েদ, এওঁ অশ্বোৰোহী আছিল, আহি হজৰত মুছাব (ৰাঃ)ৰ ওপৰত আক্ৰমণ চলাই সোঁহাত অৰ্থ্যাৎ পতাকা ধৰি ৰাখিছিল, এনেতে ইবনে কুমায়েদ, এওঁ অশ্বোৰোহী আছিল, আহি হজৰত মুছাব (ৰাঃ)ৰ ওপৰত আক্ৰমণ চলাই সোহাঁত অৰ্থ্যাৎ পতাকা ধৰি থকা হাতখনৰ ওপৰত তৰোৱালেৰে জাপ মাৰি কাটি পেলাইছিল। তেতিয়া হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে এই কোৰ-আনী আয়াতটো পাঠ কৰিছিল - "ওয়া মুহাম্মাদুন ইল্লা ৰাছুলুন, কাদ খালাদ মিন কাবলিহিৰ ৰছুল"। আৰু সেই পতাকাখন বাওঁ হাতত তুলি লৈছিল। ইবনে কুমায়েদে সেই বাওঁ হাতখনৰ ওপৰতও তৰোৱালেৰে ঘাপ মাৰি কাটি পেলাইছিল। তেতিয়া হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে নিজৰ কাটি যোৱা দুয়োখন হাতৰ বাহুৰে ইছলামী পতাকাখন নিজৰ বুকুৰ ওপৰত চেপি ধৰি ৰাখিছিল। ইয়াৰ পিছত ইবনে কুমায়েদ তৃতীয়বাৰলৈ বল্লমেৰে আঘাত হানিছিল আৰু সেয়া গৈ মুছাব (ৰাঃ)ৰ বুকুত বিন্ধিছিল আৰু বল্লমখন ভাঙি গৈছিল, লগে লগে মুছাব (ৰাঃ)ও মাটিত পৰি গৈছিল। পতাকাখন লগে লগে বেলেগ মুছলমান এজনে আগুৱাই আহি ধৰি লৈছিল।কিন্তু যিহেতু হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ চেহেৰা আঁহজৰত (ছাঃ)ৰ চেহেৰা মোবাৰকৰ সৈতে মিল আছিল, সেয়ে ইবনে কুমায়েদে ভাৱিছিল যে তেওঁ মহম্মদ ৰছুলুল্লাহ (ছাঃ)কেই মাৰি পেলাইছে। আনহাতে এয়াও সম্ভৱ যে ইবনে কুমায়েদ চয়তানৰ ছলেৰে, মুছাব (ৰাঃ)য়ে বাগৰি পৰা সুযোগত চিঞৰিছিল যে তেওঁ মহম্মদ (ছাঃ)ক মাৰি পেলাইছে। এয়াও অহুদৰ যুদ্ধত মুছলমান সকলৰ মনোবল ভাঙি পৰাৰ এটা ডাঙৰ কাৰণ আছিল। কিন্তু যিয়েই নহওঁক অলপ পিছতেই সকলোৱে আহি একগোট হৈছিল। শ্বাহাদতৰ সময়ত হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ বয়স হৈছিল চল্লিছ নাইবা ইয়াতকৈ অলপ বেছি আছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া হজৰত মুছাব (ৰাঃ)ৰ লাচ মোবাৰকৰ কাষত গৈ উপস্থিত হৈছিল, দেখিছিল যে হজৰত মুছাব (ৰাঃ)ৰ মৃতদেহখন তলমুৱা হৈ পৰি আছে। নবী কৰিম (ছাঃ)য়ে তাৰ ওচৰত থিয় হৈ এই আয়াত পাঠ কৰিছিল - "মিনাল মোমিনিনা ৰিজালুন ছাদুকা মা আহাদুল্লাহা আলায়হি ফামিনহুম মান কাজা নাহবাহু ওৱা মিনহুম মাইয়ানতাজিৰু, ওৱা মা বাদ্দালু

তাবদিলা” অৰ্থ্যাৎ মোমিন সকলৰ মাজত এনেকুৱা পুৰুষ আছে যি সকলে আল্লাহৰ সৈতে যি প্ৰতিশ্ৰুতি দিছিল সেয়া সচাঁ বুলি প্ৰমানিত কৰি দেখুৱাইছে। এই সকল লোকৰ মাজত তেওঁ আছে যিজনে নিজৰ মান্নত পূৰ্ণ কৰিছে আৰু তেওঁলোকৰ মাজতও সি আছে, যি সকলে এতিয়াও অপেক্ষা কৰি আছে আৰু তেওঁ কেতিয়াও নিজৰ কৰণীয় আমলত কোনো ধৰণৰ সাল-সলনি কৰা নাই। ইয়াৰ পিছত নবী কৰিম (ছাঃ)য়ে কৈছিল - “আন্না ৰছুলুল্লাহি ইয়াশ্বহাদু আন্নাকুমশ শুহাদাও ইনদাল্লাহি ইয়াওমাল কিয়ামাহ” অৰ্থ্যাৎ খোদা তায়ালাৰ ৰছুল সাক্ষী দিয়ে যে তোমালোকে কিয়ামতৰ দিনাও আল্লাহৰ ওচৰত শ্বহীদ বুলি গণ্য হবা। আকৌ তেখেত (ছাঃ)য়ে ছাহাবা সকলক কৈছিল যে এওঁৰ জিয়াৰত কৰি লোৱা আৰু তাৰ ওপৰত ছালাম প্ৰেৰণ কৰা। সেই সত্তাৰ কছম ! যাৰ হাতত মোৰ প্ৰাণ, কিয়ামতৰ দিনলৈকে যিজনে তাৰ ওপৰত ছালাম কৰিব, তেওঁ তাৰ ছালামৰ উত্তৰ দিব।

হজৰত মিৰ্যা বশিৰ আহমদ চাহাবে বৰ্ণনা কৰিছে যে অজ্ঞতাৰ যুগত মুছাব (ৰাঃ) মক্কাৰ ডেকা চামৰ ভিতৰত আটাইতকৈ আনন্দ মুখৰ আৰু সাহসীয়াল ডেকা বুলি বিবেচিত আছিল। এখেত (ৰাঃ)ৰ বৰ বিলাসিতাৰ মাজত দিন কটাইছিল। ইছলাম গ্ৰহনৰ পিছত এখেত (ৰাঃ)ৰ অৱস্থা সম্পূৰ্ণ সলনি হৈ পৰিছিল। আঁহজৰত (ছাঃ)য়ে এবাৰ হজৰত মুছাব (ৰাঃ)ৰ পিন্ধনত এনেকুৱা এখন কাপোৰ দেখিছিল, যি কাপোৰ খনত কেইবাটাও টাপলি মৰা আছিল। তেতিয়া তেখেত (ছাঃ)ৰ হজৰত মুছাবৰ সেই আগৰ কথাবোৰ অৰ্থ্যাৎ অৱস্থাৰ বিষয়ে মনত পৰি চকু জুৰি চলচলীয়া হৈ পৰিছিল। অহুদৰ যুদ্ধত যেতিয়া হজৰত মুছাব বিন উমিৰ (ৰাঃ)য়ে শ্বহীদ হৈছিল তেতিয়া তেখেত (ৰাঃ)ৰ ওচৰত ইমানখিনি কাপোৰও নাছিল যে যাৰ দ্বাৰা তেখেতৰ দেহ মোবাৰক ঢাকিব পৰা যাব। ভৰি ঢাকিলে মূৰ ওলাই পৰিছিল আৰু মুৰ ঢাকিলে ভৰি ওলাই গৈছিল। গতিকে আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী তেখেত (ৰাঃ)ৰ মূৰ কাপোৰেৰে ঢাকি পেলাই ভৰি দুখন ঘাঁহ বনেৰে ঢাকি দিয়া হৈছিল।

হজৰত আলি বিন আবু তালিব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে কৈছে-প্ৰত্যেক নবীকেই আল্লাহ তায়ালা সাতজনকৈ পাৰ্গত দূত প্ৰদান কৰি আহিছে আৰু মোক চৈধ্যজন প্ৰদান কৰিছে। তেতিয়া আমি সুধিছিলো ইয়া ৰছুলুল্লাহ তেওঁলোক কোন হয় ? তেখেত (ছাঃ)য়ে কৈছিল সেই লোককেইজন হল- মোৰ দুজন নাতিয়েক, জাফৰ,হামজা,আবু বক্কৰ,উমৰ,মুছাব বিন উমিৰ, বিলাল,ছলমান,মিকদাদ,আম্মাৰ আৰু আব্দুল্লাহ বিন মাছুদ (ৰাঃ)। হজৰত আমৰ বিন ৰবিয়া বৰ্ণনা কৰিছে যে মোৰ দেউতাকে কৈছিল যে - মই এনেকুৱা মানুহ কেতিয়াও দেখা নাই, যিজন হজৰত মুছাব বিন উমিৰতকৈ বেছি পুলক ভৰা চৰিত্ৰৰ হয় আৰু তেখেতকৈ কম যাৰ সৈতে মতানৈক্য ঘটিছে।

ৰছুলুল্লাহ (ছাঃ)য়ে অহুদৰ যুদ্ধৰ পিছত যেতিয়া মদিনালৈ ওভতিছিল তেতিয়া তেখেত (ছাঃ)য়ে হজৰত মুছাব বিন উমিৰ (ৰাঃ)ৰ পত্নী হজৰত হামনা বিনতে জুহাশ (ৰাঃ)ক লগ পাইছিল। মানুহে তাইক তাইৰ ভাই হজৰত আব্দুল্লাহ বিন জুহাশৰ শ্বাহাদতৰ খবৰ শুনাইছিল। সেয়া শুনি তাই ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন পঢ়িছিল আৰু তেওঁলোকৰ বাবে মাগফিৰাতৰ দোৱা কৰিছিল। আকৌ লোক সকলে তাইক তাইৰ মামা হজৰত হামজা (ৰাঃ)ৰ শ্বাহাদতৰ খবৰ দিছিল। তেতিয়াও তাই ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন পঢ়িছিল আৰু তেখেত (ৰাঃ)ৰ বাবে মাগফিৰাতৰ দোৱা কৰিছিল। ইয়াৰ পিছত লোক সকলে আকৌ তাইৰ স্বামি হজৰত মুছাব বিন উমিৰৰ শ্বাহাদতৰ খবৰ দিছিল, তেতিয়া তাই কান্দিবলৈ লৈছিল আৰু ব্যাকুল হৈ পৰিছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে নাৰীৰ বাবে তাইৰ স্বামী এটা বিশেষ গুৰুত্বপূৰ্ণ স্থান আৰু মৰ্যাদা আছে ।

হুজুৰ আনোৱাৰ আইঃয়ে কয় যে ইখিনিতে হজৰত মুছাব বিন উমিৰৰ বিষয়ে চলা বৰ্ণনাৰ অন্ত পৰিল। ইনশা আল্লাহ আগলৈ বেলেগ চাহাবীৰ বিষয়ে উল্লেখ কৰা হব। এতিয়া মই বৰ্তমানে যি মহামাৰী বিয়পি পৰিছে, “কৰুনা ভাইৰাছ” এই বিষয়ে লোকৰ মনযোগ আকৰ্ষণ কৰিব বিচাৰিছে যে যেনেকৈ চৰকাৰ আৰু বিষয়া বৰ্গৰ ফালৰ পৰা ঘোষনা কৰি আছে, সেই সতৰ্কতা মূলক প্ৰক্ৰিয়াৰ ওপৰত আমি সকলোৱে আমল কৰা উচিত। কিছুমান হোমিওপ্যাথি ঔষধ মই প্ৰথম অৱস্থাতেই হোমিওপ্যাথিকৰ সৈতে আলোচনা কৰি ব্যৱহাৰ কৰিবলৈ কৈছিলো। যিবোৰ প্ৰতিষেধকও আছিল আৰু কিছুমান চিকিৎসাৰ বাবেও আছিল। আল্লাহ তায়াল তাৰ মাজত এই মহামাৰীৰ পৰা আৰোগ্য লাভৰ উপায় উপাচাৰণ ৰাখিছে, সেয়ে এই ঔষধ ব্যৱহাৰ কৰা উচিত। কিন্তু ইয়াৰ লগতে সতৰ্কতা অৱলম্বন কৰাও প্ৰয়োজন আছে। যেনকৈ ঘোষনা কৰি আছে যে জুম বীৰ এৰাই চলিব, মছজিদলৈ অহা সকলেও সতৰ্ক হোৱা উচিত। যদি সামান্য জ্বৰৰ উপক্ৰম হয় আৰু শৰীৰ দূৰ্বল হৈ পৰে, হাচিঁ চৰ্দি কাহঁ হয় তেন্তে তেওঁ মছজিদলৈ অহা উচিত নহয়। আনহাতে মছজিদৰও হক আছে গতিকে কোনো হুচঁৰা বেমাৰৰ

ৰোগীয়ে মছজিদলৈ আহোঁতে বৰ সাৱধানৰে সৈতে অহা উচিত। বিশেষকৈ বৰ্তমানে প্ৰত্যেকৰ উচিত যে হাচিঁয়ালে মুখত হাত অথবা ৰুমাল ব্যৱাহাৰ কৰে যেন। আজি কালি চিকিৎসক সকলে যি সতৰ্কতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দি আছে সেয়া হল হাত অথবা মুখমণ্ডল পৰিষ্কাৰ ৰাখক। হাত যদি লেতেৰা হৈ আছে তেন্তে সেয়া মুখ মণ্ডলত নলগাব আৰু হাতত ছেনিটাৰজাৰ লগাওঁক নাইবা ধুই ৰাখক। কিন্তু মুছলমান সকলৰ বাবে অৰ্থ্যাৎ আমাৰ বাবে যদি পাচঁ ওয়াক্ত নামাজী হয় আৰু পাচঁ বাৰ নিয়মিতভাৱে অজু কৰি থাকে, নাকত পানি মাৰি পৰিষ্কাৰ কৰি ৰাখে আৰু শুদ্ধ ভাৱে অজু কৰে তেন্তে এয়া নিজকে পৰিষ্কাৰ ৰখাৰ উচ্চমানৰ উপায় যিয়ে ছেনিটাইজাৰৰ অভাৱ দূৰ কৰিব পাৰে। যিয়েই নহওঁক শুদ্ধভাৱে অজু কৰিলে তাত বাহ্যিক পৰিচ্ছন্নতা আছে। আনহাতে অজু যিজনে কৰিব তেওঁ নমাজো পঢ়িব, তেতিয়া আকৌ এয়া হব আধ্যাত্মিক পৰিষ্কাৰ পৰিচ্ছন্নতাৰ উপায়। আকৌ বৰ্তমানে বিশেষ ভাৱে দোৱা কৰাৰ বৰ প্ৰয়োজন আছে। গতিকে আমি সেইফালে মনোযোগ দিয়া উচিত। মছজিদৰ হক সম্পৰ্কে মই উল্লেখ কৰিছো লগতে এয়াওঁ উল্লেখ কৰি দিও যে বিশেষকৈ শীতৰ মাজত আৰু সাধাৰণতে মছজিদলৈ অহা সকলে মোজা পিন্ধি আহে সেয়ে নিতৌ মোজাযোৰ সলাই পিন্ধি অহা উচিত আৰু সেইবোৰ ধুই দিব লাগে। ভৰি বা মোজা আদিৰ পৰা বেয়া গোন্ধ ওলালে লগতে থিয় হোৱা নমাজী সকলৰ ছিজদা কৰাৰ সময়ত বেয়া গোন্ধ নাকত লাগে। গতিকে এই বিয়য়ে সতৰ্কতা অৱলম্বন কৰিব। আঁহজৰত (ছাঃ)য়ে কৈছে যে কোনোবাই গোন্ধযুক্ত খাদ্য যেনে কেচাঁ নেহেৰু,পিয়াজ আদি খাই মুখত গোন্ধলৈ ,মছজিদলে নাহিবা। বৰং নিৰ্দেশ দিছে যে মছজিদলৈ অহাৰ সময়ত সুগন্ধি লগোৱা কৰিবা। আঁহজৰত (ছাঃ)য়ে আৰু কৈছে যে কেচাঁ মাংস লৈ মছজিদৰ ভিতৰত প্ৰৱেশ নকৰিবা কাৰণ তাত মানুহ বহি আছে। সেইফালে বিশেষ ধ্যান দিয়া উচিত। কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে এই ছলেৰে মছজিদলৈ অহা এৰি দিয়া। নিজৰ বাহ্যিক অৱস্থা চাই নিজৰ মনৰ ৰায় গ্ৰহন কৰা প্ৰয়োজন। সদায় মনত ৰাখিবা যে আল্লাহ তায়ালা অন্তৰৰ অৱস্থা সম্পৰ্কে জ্ঞাত। গতিকে যদি কোনোবায় বেমাৰত ভুগিছে তেন্তে চিকিৎসকৰ পৰামৰ্শ লওঁক যে এয়া কি বেমাৰ ? আৰু দুই এদিন এৰাই চলাটো উত্তম হব। আকৌ কথা হল মুচাফা কৰিলে মানুহৰ সম্পৰ্ক দৃঢ় হয়, প্ৰেম ভালপোৱা বাঢ়ি যায়। কিন্তু বৰ্তমানে এই বেমাৰৰ কাৰণে এজনে আনজনক এৰাই চলা ভাল। আল্লাহ তায়ালা আদেশৰ প্ৰতি মানুহৰ মতানৈক্য আছিল, যেতিয়া আমি কৈছিলো, বৰ মৰমেৰে কৈছিলো যে তেনেদৰে নাৰী পুৰুষে ছালাম,মুচাফা,কৰমৰ্দন কৰা ইছলামত মানা বা নিষেধ আছে, সেয়া তেওঁলোকে বৰ সমালোচনা কৰিছিল। কিন্তু এতিয়া দেখা গৈ আছে বেছিভাগ বিষয়া বৰ্গ আৰু বিভিন্ন ঠাইত এই নীতি কঠোৰ ভাৱে পালন কৰি আছে। যিয়েই নহওঁক এই মহামাৰীয়ে একধৰণে সিহঁতক সংশোধনৰ বাটলৈ লৈ আনিছে। আল্লাহ তায়ালা যেন তেওঁলোকক এই সংশোধনৰ জৰিয়তে তাৰ ফালে আগুৱাই লৈ যায়। আল্লাহ তায়ালায়হে ভালদৰে জানে যে এই বেমাৰ আৰু কিমান বিয়পি যাব আৰু কিমান দূৰলৈ সিচঁৰিত হব। নাজানো আল্লাহ তায়ালাৰ কি ইচ্ছা কিন্তু যদি এই বেমাৰ আল্লাহ তায়ালাৰ অন্তষ্টিৰ পৰিনাম হিচাপে প্ৰকাশ পাইছে আৰু আমি বৰ্তমানে দেখিবলৈ পাইছো যে বিভিন্ন ধৰণৰ মহামাৰী, বেমাৰ, ভুমিকম্প, ধুমুহা আদিয়ে মছিহ মাওউদ (আঃ)ৰ আগমনৰ পিছত ব্যাপক ৰূপ ধাৰণ কৰিছে তেন্তে আল্লাহ তায়ালাৰ সিদ্ধান্তৰ ক্ষতিকাৰক প্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ আল্লাহৰ ফালে প্ৰত্যাবৰ্তন কৰাৰ অতি প্ৰয়োজন আছে। প্ৰত্যেকজন আহমদীয়ে বৰ্তমানে বিশেষ ভাৱে দোৱা কৰাত মগ্ন থকা উচিত আৰু নিজৰ আধ্যাত্মিক অৱস্থা উন্নত কৰাৰ ফালে মন দিব লাগিব। বৰ্তমান পৃথিৱীখনৰ বাবেও দোৱা কৰিব লাগিব যাতে আল্লাহ তায়ালা তেওঁলোকক হিদায়েত দান কৰে। আল্লাহ তায়ালা জগতক তৌফিক দান কৰক যাতে জগত বাসীয়ে পাৰ্থিৱ মোহৰ হাতসাৰি নিজৰ সৃষ্টি চিনিব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া কেইটামান জানাজা সম্পৰ্কে উল্লেখ কৰা হব। প্ৰথম জানাজা হল আজিজম তনজিল আহমদ ভাট চাহাবৰ জানাজা। এওঁ আকিল আহমদ ভাট চাহাবৰ পুত্ৰ আছিল। ২০২০ চনৰ ২৭ ফেব্ৰুৱাৰীৰ দিনা তাৰ প্ৰতিবেশী মহিলা এজনীয়ে তাক নৃশংস ভাৱে হত্যা কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। পাকিস্থানত আহমদী সকলক কিবা ছলনাৰে হত্যা কৰোটো মৌলবী সকলৰ ফাতোৱায় সহজ কৰি দিছে। এই হত্যা কাণ্ডও ইয়াৰে প্ৰতিফলন আছিল। আনফালেদি মই এই আজিজমক তনজিল আহমদ ভাট চাহাবে ২০০৯ চনৰ ২০ নবেম্বৰত লাহোৰত জন্ম গ্ৰহন কৰিছিল। ওয়াকফে নও তেহেৰিকৰ অন্তৰভূক্ত আছিল। নিয়মিত মছজিদত যোৱাৰ অভ্যাস আছিল। আল্লাহ তেওঁক মৰমৰ আচঁলত আবৃতি কৰি লওক। মাক দেউতাকক ধৈৰ্য্য দান কৰক। দ্বিতীয় জানাজা হল বিগ্ৰেডিযাৰ বশিৰ আহমদ চাহাবৰ জানাজা। এওঁ ৰাওঁয়াল পিণ্ডিৰ প্ৰাক্তন আমিৰ আছিল। এখেতৰ পিতৃৰ নাম আছিল ডক্টৰ মহম্মদ আব্দুল্লাহ চাহাব। ২০২০ চনৰ

১৬ ফেব্ৰুৱাৰীত ৮৭ বছৰ বয়সত ৰাওয়াল পিণ্ডিত এখেতৰ মৃত্যু হৈছে ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। তৃতীয় জানাজা হল ডক্টৰ হামিদ উদ্দিন চাহাবৰ জানাজা। এখেতে ১২১ জাব কাখোৰাল ফ্যায়চালাবাদৰ বাসিন্দা আছিল। ২০২০ চনৰ ২৯ ফেব্ৰুৱাৰীত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। আল্লাহ তায়ালা মৰহুম সকলৰ মৰ্যাদা উন্নতী কৰক। নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে গায়েব পঢ়া হব। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 06 March. 2020**

**(BOOK POST PARINTED MATTER)**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**